# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 23-01-2025

**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

ooooooo

নেতাজী সুভাষ চন্দ্ৰ বসুৰ ১২৮ সংখ্যক জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি সমগ্ৰ দেশত আজি পৰাক্ৰম দিৱস পালন কৰা হৈছে। ৰাজ্যৰ বিভিন্ন স্থানতো নেতাজীক স্মৰণৰ বাবে কাৰ্যসূচী অনুষ্ঠিত হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই জন্মবাৰ্ষিকীত নেতাগৰাকীক স্মৰণ কৰি দিয়া এটা বাৰ্তাত নেতাজীৰ জীৱন আৰু আদৰ্শই প্ৰতিগৰাকী ভাৰতীয়ক ৰাষ্ট্ৰসেৱাত উৎসৰ্গিত হ'বলৈ অনুপ্ৰাণিত কৰে বুলি মন্তব্য কৰে। জাপান ভ্ৰমণৰত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে জাপানতে নেতাজীয়ে আজাদ-হিন্দ-ফৌজৰ বীজ ৰোপণ কৰিছিল। ব্ৰিটিছ শাসকৰ দমনকাৰী নীতিৰ সাহসেৰে প্ৰত্যুত্তৰ দিয়া নেতাজীৰ বীৰত্বক চিৰদিন ভাৰতবাসীয়ে স্মৰণ কৰিব বুলি তেওঁ উল্লেখ কৰে। জাপানত থকা ভাৰতীয় দুতাবাসত নেতাজীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱাৰ বাবে আয়োজিত এটা অনুষ্ঠানতো তেওঁ অংশ লয়।

ooooooo

নেতাজী সুভাষ চন্দ্ৰ বসুৰ জন্মদিনটো আজি কাৰ্বি আংলং জিলাত পৰাক্ৰম দিৱস হিচাপে পালন কৰা হয়। কাৰ্বি আংলং জিলা বাংলা সাহিত্য, কলা আৰু সংস্কৃতি পৰিষদৰ ডিফুৰ থকা নেতাজী উদ্যানত থকা নেতাজীৰ প্ৰতিমূৰ্তিত পুষ্পমাল্য অৰ্পণ কৰা হয়। অনুষ্ঠানত বহুকেইগৰাকী শিল্পীয়ে দেশপ্ৰেমমূলক নৃত্য-গীতৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। জিলা আয়ুক্ত সুদীপ্ত বৰা, পৰিষদৰ গড়কাপ্তানী ব'ৰ্ডৰ অধ্যক্ষ লং ছিং টকবি, জ্যেষ্ঠ নাগৰিক ৰঞ্জীত সেন আদিৰ লগতে বহুসংখ্যক লোক এই অনুষ্ঠানত উপস্থিত থাকে।

oooooo

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত প্ৰতি বছৰৰ দৰে এইবাৰো নিয়মীয়া নিয়ন্ত্ৰিত বনভূমি দাহ প্ৰক্ৰিয়া আৰম্ভ হৈছে। উদ্যানখনত প্ৰতি বছৰে জানুৱাৰী-ফেব্ৰুৱাৰী মাহত কণ্ট্ৰোল্ড বাৰ্ণিং অৰ্থাৎ নিয়ন্ত্ৰিতভাৱে বনভূমিৰ কিছু অংশ দাহ কৰা হয়। তৃণভোজী বন্যপ্ৰাণীৰ বাবে খাদ্য হিচাপে নতুনকৈ গজি উঠা কোমল ঘাঁহ-বনৰ প্ৰয়োজন হোৱা হেতুকে ওখ আৰু খাদ্যৰ অনুপযোগী ঘাঁহ-বনসমূহ উদ্যান কৰ্তৃপক্ষই বিশেষ পদ্ধতিৰে জ্বলাই দিয়াৰ ব্যৱস্থা কৰে। বন্যপ্ৰাণীসমূহৰ অসুবিধা নোহোৱাকৈ প্ৰতি বছৰে উদ্যানখনৰ অংশবিশেষত এনেদৰে দাহ কাৰ্য কৰা হয়।

oooooo

নগাঁও জিলা সাহিত্য সভাৰ অষ্টবিংশতিতম দ্বিবাৰ্ষিক অধিবেশনৰ প্ৰতিনিধি সভাত আজি মন্ত্ৰী তথা কলিয়াবৰৰ কেশৱ মহন্তই অংশগ্ৰহণ কৰে। অনুষ্ঠানত অংশ লৈ মন্ত্ৰীগৰাকীয়ে মাতৃভাষাৰ মৰ্যাদা অক্ষুণ্ণ ৰখাৰ

বাবে আৰু অসমীয়া সাহিত্য সংস্কৃতিক বিশ্বমুখী কৰি তোলাৰ ক্ষেত্ৰত প্ৰচেষ্টা গ্ৰহণ কৰিবলৈ সকলোকে আহ্বান জনায়। আজিৰ অনুষ্ঠানত জিলা সাহিত্য সভাৰ বিষয়ববীয়াকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০০

চৰাইদেউ জিলাৰ দিচাংপানীত পাঁচ-দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত সোণাৰু কাঞ্চন কৃষ্ণচূড়া মহোৎসৱৰ কালি সামৰণি পৰে। কালি অন্তিম দিনাৰ কাৰ্যসূচীত বিশিষ্ট সংগীত শিল্পী, গীতিকাৰ ইবচন লাল বৰুৱাক সোণাৰু কাঞ্চন কৃষ্ণচূড়াৰ চিৰসেউজ বঁটা প্ৰদান কৰা হয়। সামৰণি অনুষ্ঠানত বলিউডৰ প্ৰখ্যাত কণ্ঠশিল্পী বিনোদ ৰাথোড় আৰু চান্দনী মুখাৰ্জীয়ে গীত পৰিবেশন কৰে। যোৱা ১৮ জানুৱাৰীৰ পৰা অনুষ্ঠিত এই মহোৎসৱত ৰাজ্যখনৰ কমেও ৫০ গৰাকী প্ৰতিষ্ঠিত শিল্পীয়ে সংগীত পৰিবেশন কৰে। উল্লেখযোগ্য যে প্ৰকৃতিপ্ৰেমী যুৱক অনুপ পাটকাইৰ নেতৃত্বত, শিল্পী সমাজ, সাংবাদিক তথা চৰাইদেউৰ একাংশ পৰিবেশ সচেতন নাগৰিকৰ উদ্যোগত ২০১৯ চনৰ পৰা সোণাৰু, কাঞ্চন আৰু কৃষ্ণচূড়াৰ পুলি ৰোপন আৰু প্ৰতিপালন কৰি থকা হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত প্ৰতিবছৰে এই অনুষ্ঠানৰ আয়োজন কৰা হয়।

০০০০০০

ডিব্ৰুগড় জিলাত অবৈধ সুৰাৰ প্ৰচলন নিয়ন্ত্ৰণ কৰাৰ বাবে আলোচনা কৰিবলৈ জিলাখনৰ আবকাৰি বিভাগৰ সৈতে মন্ত্ৰী অতুল বৰাই এখন বৈঠকত মিলিত হয়। জিলাখনত সুৰাৰ প্ৰচলন ৰোধৰ বাবে আবকাৰি বিভাগে গ্ৰহণ কৰা পদক্ষেপ তথা অন্যান্য কাম-কাজৰ বিষয়ে বিভাগৰ বিষয়াসকলে মন্ত্ৰীগৰাকীক জানিবলৈ দিয়ে। মন্ত্ৰী শ্ৰীবৰাই জিলাখনত এনে ধৰণৰ সুৰাৰ প্ৰচলনে যাতে অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি কৰিব নোৱাৰে তাৰ বাবে কঠোৰ ব্যৱস্থা লবলৈ বিভাগটোক নিৰ্দেশ দিয়ে।

০০০০০০০

ভাৰতীয় সংবিধান খচৰা সমিতিৰ সদস্য তথা স্বাধীনতা সেনানী ডম্বৰ সিং গুৰুঙৰ ১২৫ সংখ্যক জয়ন্তী আজি তেজপুৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপন কৰা হয়। এই উপলক্ষে আজি তেওঁৰ এটা পূৰ্ণাৱয়ব প্ৰতিমূৰ্তি উদ্বোধনী অনুষ্ঠানত ন-দুৱাৰ সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকা আৰু তেজপুৰ সমষ্টিৰ বিধায়ক পৃথ্বীৰাজ ৰাভাও উপস্থিত থাকে।

০০০০০০

দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো গণৰাজ্য দিৱসৰ প্ৰস্তুতি অব্যাহত আছে। ৭৬ সংখ্যক গণৰাজ্য দিৱস উদযাপনৰ সময়ছোৱাত আলফা (স্বাধীন)কে ধৰি যাতে কোনো উগ্ৰপন্থী সংগঠনে ৰাজ্যখনত কূটাঘাতমূলক ঘটনা সংঘটিত কৰিব নোৱাৰে তাৰ বাবে ৰাজ্যৰ আৰক্ষীয়ে কটকটীয়া নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰিছে। গুৱাহাটীৰ খানাপাৰাৰ অসম পশুপালন আৰু পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত হ'বলগীয়া গণৰাজ্য দিৱসৰ কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই পতাকা উত্তোলন কৰিব। ইয়াৰ বাবে ইতিমধ্যে খানাপাৰা খেলপথাৰত তিনিতৰপীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা হৈছে। সমগ্ৰ খেলপথাৰখন সামৰি ল'ব পৰাকৈ চিচিটিভি কেমেৰা স্থাপন কৰা হৈছে। খানাপাৰাৰ গণৰাজ্য দিৱসৰ কাৰ্যসূচীত অৰ্ধ সামৰিক বাহিনী, আৰক্ষী, এন চি চি, স্কাউট গাইডসহ মুঠ ২৩টা দলে পেৰেডত অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এইবাৰ ডিব্ৰুগড়ত গণৰাজ্য দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব।

0000000

সমাগত গণৰাজ্য দিৱসৰ কাৰ্যসূচীৰ অংশ হিচাপে আজি কাৰ্বি আংলং জিলা প্ৰশাসন, আৰক্ষী প্ৰশাসন আৰু ডিফু পৌৰসভাৰ সহযোগত ডিফু চহৰৰ ঘাইপথসমূহকে ধৰি উদ্যান, চৰকাৰী কাৰ্যালয়সমূহত ছাফাই অভিযান চলোৱা হয়। জিলা আয়ুক্ত কাৰ্যালয়ৰ চৌহদত চলোৱা ছাফাই কাৰ্যসূচীত মহিলা সংগঠনৰ সদস্য আৰু জিলা মহিলা সমিতিৰ সদস্যাসকলে অংশগ্ৰহণ কৰে।

000000

**সমাপ্ত**